**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। কাইলৈ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩১৮ খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ১৭২ খন আসনত মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

মিত্ৰদল গণ শক্তি আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে এই নিৰ্বাচনত বিজেপিৰ প্ৰতীকত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ হেতু তেওঁলোকৰ সংখ্যাও বিজেপিৰ প্ৰাৰ্থীৰ তালিকাৰ ভিতৰতে সন্নিৱিষ্ট হৈ আছে। গণ শক্তিয়ে জোনাইৰ ৪ খন, মাজুলী আৰু ঢকুৱাখনাত এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে গোৱালপাৰা আৰু দক্ষিণ শালমাৰাত প্ৰতিদ্বন্দ্বিতা কৰিব। এইপৰ্যন্ত মিত্ৰদল অগপক জিলা পৰিষদৰ ৭৩ খন আসন এৰি দিয়া হৈছে। ছখন আসনক লৈ প্ৰাৰ্থী তালিকা এতিয়াও চূড়ান্ত হোৱা নাই।

ইপিনে, ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আভ্যন্তৰীণ সংঘাতৰ বাবে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

oooooo

ৰাজ্য চৰকাৰৰ ৰূপান্তৰ আৰু উন্নয়ন বিভাগ আৰু ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগৰ সহযোগত নীতি আয়োগে আজিৰেপৰা গুৱাহাটীত 'বিকশিত অসম, ২০৪৭' শীৰ্ষক দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰিছে। ২০৪৭ চনৰ ভিতৰত অসমক এখন বিকশিত ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত নিজৰ পৰামৰ্শ তথা অৰিহণা যোগাবৰ বাবে আগ্ৰহীসকলক এই কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

ooooooooo

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত জিলা প্ৰশাসনসমূহৰ সহযোগত ঠায়ে ঠায়ে ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ওদালগুৰি জিলাত জাইখ্লং মণ্ডল পৰ্যায়ৰ উদ্যোগত আজিৰেপৰা আয়োজন কৰা ব'হাগী মেলাত জিলা প্ৰকল্প পৰিচালক বিষয়া ৰিংখাং মুছাহাৰী উপস্থিত থাকে। বিটিআৰৰ মনোনীত পাৰিষদ অৰ্পণা মেধিয়ে এই ব'হাগী মেলা উদ্বোধন কৰে। মেলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প বিষয়া, খণ্ড প্ৰকল্প বিষয়াৰ উপৰি খণ্ড পৰ্যায়ৰ ভালেসংখ্যক সদস্যাই অংশগ্ৰহণ কৰিছে। এই মেলাত জিলাখনৰ ছটা প্ৰাথমিক খণ্ডৰ অন্তৰ্গত আত্ম-সহায়ক গোটৰ মহিলাসকলে প্ৰস্তুত কৰা থলুৱা খাদ্য সামগ্ৰী, বস্ত্ৰ আদিৰ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

গোৱালপাৰা জিলাৰ ভালুকডুবিত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ব'হাগী মেলা কালি জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে মুকলি কৰে। এই মেলাৰ জৰিয়তে জিলাখনৰ আত্ম-সহায়ক গোটসমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰী আৰু প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। মেলাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু আত্মসহায়ক গোটৰ মাজত পৰম্পৰাগত খেল-ধেমালিৰ প্ৰতিযোগিতা, বিহুনাচ, পৰম্পৰাগত সাজ-পাৰ পৰিধান, লোকগীত আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে।

ooooooooo

আজি মহাবীৰ জয়ন্তী। ২৪ সংখ্যক তথা শেষৰ জন জৈন তীৰ্থংকৰ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকী দেশৰ বিভিন্ন অংশত উলহ-মালহেৰে উদযাপন কৰা হৈছে। জৈন ধৰ্মাৱলম্বীলোকসকলৰ বাবে এই দিনটো অতিকে পৱিত্ৰ বুলি গণ্য কৰা হয়।

অসমতো জৈন ধৰ্মাৱলম্বী লোকসকলে ধৰ্মগুৰুগৰাকীৰ জয়ন্তী উলহ-মালহেৰে পালন কৰিছে। মহাবীৰ জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মহাবীৰৰ নৈতিক শিক্ষা আৰু আদৰ্শ স্মৰণেৰে জীৱনত আগবাঢ়ি যাবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনাইছে।

ooooooo

পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাৰ সীমান্তৱৰ্তী লংজাপ কলনীৰ নেপালী গাঁৱত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা মতে, নম্বৰবিহীন এখন মাটি কঢ়িওৱা টেক্টৰে মাটি পেলাবলৈ যোৱাৰ সময়তে নেপালী গাঁৱৰ সুৰেশ দাস নামৰ লোকজনক মহতিয়াই নিয়াৰ ফলত তেওঁৰ থিতাতে মৃত্যু হয়।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে বাংলাদেশক প্ৰদান কৰি অহা ভাৰতৰ মাজেৰে তৃতীয় দেশলৈ পণ্য পৰিবহণৰ সুবিধা বাতিল কৰিছে। বাংলাদেশে ভাৰতৰ শুল্ক বিভাগৰ ষ্টেচন, বন্দৰ আৰু বিমান বন্দৰ ব্যৱহাৰ কৰি ভূটান, নেপাল আৰু ম্যানমাৰ সহ কেইবাখনো ৰাষ্ট্ৰলৈ উৎপাদিত সামগ্ৰী ৰপ্তানি কৰি আহিছিল।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

গুজৰাট টাইটানছে যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫৮ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৭ ৰান কৰে। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ৫৩টা বলত ৮২ ৰান কৰে। সুদৰ্শনক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত গুজৰাট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হৈছে। ৰাজস্থান ৰয়েলছ সপ্তম স্থানত আছে।

ooooo